# অসম আদিত্য

৬ আহাৰ, ১৯৪৫ শক ■ বৃহস্পতিবাৰ, ২২ জুন, ২০২৩ ■ Asom Aditya, Dibrugarh, Thursday, June 22, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

এই সম



## ডি এইচ এছ কানৈ কলেজত যোগ দিৱস

**ডিব্ৰুগড, ২১ জুন ঃ** ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ যোগ আৰু ধ্যান কেন্দ্ৰ, যোগ ক্লাব, ছাত্ৰী নিৱাস, এন চি চি, এন এছ এছৰ যুটীয়া উদ্যোগত আৰু সংস্কৃত বিভাগৰ সহযোগত আজি লালচান্দ কানৈ প্ৰেক্ষাগৃহত নৱম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হয়। সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা তথা যোগ আৰু ধ্যান কেন্দ্ৰৰ উপদেষ্টা কল্যাণী দাসে আঁত ধৰা অনুষ্ঠানটো উদ্বোধন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীয়ে। উদ্বোধনী ভাষণ প্ৰসংগত উপাধ্যক্ষগৰাকীয়ে দৈনন্দিন জীৱনত যোগাভ্যাসৰ উপকাৰিতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক ড° অনন্ত কুমাৰ দত্ত, ছাত্ৰী নিৱাসৰ অধীক্ষিকা অধ্যাপিকা উৰ্মিলা ৰামছিয়াৰী, সংস্কৃত বিভাগৰ সহকাৰী অধ্যাপিকা তথা যোগ আৰু ধ্যান কেন্দ্ৰৰ যুটীয়া সমন্বয়ক বিনী শইকীয়াকে ধৰি মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰাবাস, ছাত্ৰী নিৱাস, এন চি চি আৰু এন এছ এছৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে আজি নৱম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ যোগ প্ৰশিক্ষিকা চয়নিকা গগৈয়ে অনুষ্ঠানটোত উপস্থিত অংশগ্ৰহণকাৰীসকলক যোগাভ্যাস কৰোৱায়।



আধাৰত নিজৰ জীৱনত যোগৰ অনুশীলনৰ অত

## টিংখাং

## প্ৰবন্ধ আৰু

**প্ৰতিবেদক, ৰাজগড়, নাহৰকটীয়া, ২১ জুন** হিচাপে বিষ্ণুপ্ৰসাদ ৰাভা যিমান প্ৰাসংগিক তাতোকৈ এগৰাকী সৈনিক শিল্পী, বিপ্লৱী হিচাপে। কলাগু প্ৰদানেৰে বিষ্ণু ৰাভাৰ সংগ্ৰামী সত্তাক জনমানস হোৱাৰ পৰা আঁতৰাই ৰখা হ'ল। কালি টিংখাং মহ